# বিদায় ধোনী



নেপথ্যত মুকেশৰ এটা কালজয়ী গীত আৰু এটা ইনষ্টাগ্ৰাম পোষ্ট। ১৫ আগষ্টৰ সন্ধিয়া ৭-২৯ মিনিটত ইনষ্টাগ্ৰামত আবেগিক পোষ্টটো দিয়েই হঠাতে আন্তৰ্জাতিক ক্ৰিকেটৰপৰা মহেন্দ্ৰ সিং ধোনীয়ে অৱসৰৰ কথা ঘোষণা কৰিলে। বিগত বছৰৰ এদিনীয়া বিশ্বকাপৰ ছেমিফাইনেল খেলখনৰ পাছৰপৰাই ক্ৰিকেটৰপৰা আঁতৰি থকা ধোনীৰ অৱসৰ নিশ্চয় অপ্ৰত্যাশিত নাছিল। কিয়নো বিশ্বকাপৰ পূৰ্বৰেপৰা ধোনীৰ অৱসৰক লৈ জল্পনা-কল্পনা চলি আহিছিল। কিন্তু সকলোকে আচম্বিত কৰি ধোনীয়ে নিৰৱে আন্তৰ্জাতিক ক্ৰিকেটৰপৰা অৱসৰ ল'ব বুলি অনুৰাগীয়ে আশা কৰা নাছিল। ক্ৰিকেটপ্ৰেমীয়ে ধোনীৰ ৰাজকীয় বিদায় কামনা কৰিছিল। ২০০৪ চনৰ ২৩ ডিচেম্বৰত বাংলাদেশৰ বিৰুদ্ধে এদিনীয়া খেলখনেৰে আন্তৰ্জাতিক অভিষেক ঘটোৱা ধোনীয়ে ভাৰতীয় ক্ৰিকেটক কি দিয়া নাছিল? সৌৰভ গাংগুলীৰ আমোলত নতুন ৰূপ লোৱা টিম ইণ্ডিয়াক আৰু অধিক প্ৰাণৱন্ত কৰি তুলিছিল কেপ্টেইন কুল হিচাপে খ্যাত ধোনীয়ে। সাম্প্ৰতিক বিশ্ব ক্ৰিকেটৰ আক্ৰমণাত্মক আৰু শক্তিৰ দিশেৰে বহু আগুৱাই যোৱা ভাৰতীয় দলটোক গঢ় দিয়াৰ আঁৰত ধোনীৰ উৰ্বৰ ক্ৰিকেট মস্তিষ্ক আৰু বিচক্ষণতাক স্বীকাৰ কৰিবই লাগিব। সৌৰভ গাংগুলীয়ে অধিনায়কৰ দায়িত্ব চম্ভালি থকাৰ সময়তে আন্তৰ্জাতিক ক্ৰিকেটত ধোনীৰ পদাৰ্পণ। গাংগুলীৰ আগ্ৰাসী নেতৃত্বই ভাৰতীয় দলৰ শক্তি আৰু আত্মবিশ্বাস বঢ়াই তুলিছিল। আৰু পাছলৈ তৰুণ শক্তিৰ ভাৰতীয় দলক নেতৃত্ব দি ধোনীয়ে বহু আকৰ্ষণীয় সফলতা লাভ কৰিছিল। দলনেতা কাক কোৱা হয়, সেই কথা ধোনীয়ে বুজাই দিছিল। সেয়ে ভাৰতৰ সৰ্বকালৰ সফল আৰু শ্ৰেষ্ঠ অধিনায়ক হিচাপে ধোনীৰ নাম স্মৰণীয় হৈ থাকিব। ধোনীৰ নেতৃত্বত ভাৰতে দুটাকৈ বিশ্বকাপৰ (২০০৭ চনৰ টি-২০ আৰু ২০১১ চনৰ এদিনীয়া বিশ্বকাপ) খিতাপ জয় কৰাৰ লগতে ২০১৩ চনত আই ছি ছি চেম্পিয়নছ ট্ৰফিত শ্ৰেষ্ঠত্ব অৰ্জন কৰিছিল। ধোনীৰ সুনিপুণ নেতৃত্বতে ভাৰতে প্ৰথমবাৰৰ বাবে অষ্ট্ৰেলিয়াক নিজৰ মাটিতে পৰাজিত কৰি ছি বি শৃংখলা হস্তগত কৰিছিল। টেষ্ট ৰেংকিঙৰ শীৰ্ষস্থানতো আৰোহণ কৰিছিল ধোনীৰ ভাৰতে।

ধোনী ভাৰতৰ সৌভাগ্যশালী অধিনায়ক। অধিনায়ক হিচাপে ধোনী প্ৰখৰ বুদ্ধিমত্তাৰ অধিকাৰী। খেলপথাৰত ধোনী সদায়েই শান্ত-সমাহিত। সমালোচকৰ মতে, ধোনীৰ মন বৰফৰ দৰে শীতল, স্নায়ু শিলৰ দৰে কঠিন। অৰ্থাৎ খেলপথাৰত স্নায়ুচাপ চম্ভালি প্ৰতিকূল সময়তো সতীৰ্থক সাহস দিব পৰা ক্ষমতা ধোনীৰ আছে। অধিনায়ক হিচাপে ধোনীয়ে একোখন খেলৰ কঠিন সময়ত লোৱা বহুকেইটা সিদ্ধান্ত সঠিক প্ৰমাণিত হৈছিল। ক্ষিপ্ৰতাৰে ৰণকৌশল যুগুতোৱাত পাকৈত ধোনীয়ে ২০০৭ চনৰ টি-২০ বিশ্বকাপৰ ফাইনেলৰ অন্তিম অভাৰটোত লোৱা সাহসী সিদ্ধান্ত কোনোৱে পাহৰিব নোৱাৰে। পাকিস্তানৰ বিৰুদ্ধে খেলখনত ভাৰত পৰাজয়ৰ গৰাহত পৰিছিল। খেলৰ অন্তিম অভাৰটোত জিকিবলৈ পাকিস্তানক প্ৰয়োজন আছিল ১৩ ৰানৰ। সেই সময়ত ধোনীয়ে দলৰ জ্যেষ্ঠ ব'লাৰৰ পৰিৱৰ্তে নৱাগত মিডিয়াম পেছাৰ যোগিন্দৰ শৰ্মাৰ হাতত বল তুলি দি একপ্ৰকাৰ জুৱা খেলিছিল। কিন্তু যোগিন্দৰে ধোনীক নিৰাশ নকৰিলে। পাক বেটছমেন মিছবাহ-উল হকক আউট কৰি যোগিন্দৰে ভাৰতক বিশ্বকাপ উপহাৰ দিয়াৰ আঁৰত ধোনীৰ নেতৃত্ব আছিল অদ্বিতীয়।

অধিনায়ক হিচাপেই নহয়, বেটছমেন আৰু উইকেটৰক্ষক হিচাপেও বিশ্বৰ অন্যতম শ্ৰেষ্ঠ খেলুৱৈৰ তালিকাত ধোনীৰ নাম থাকিব। উল্লেখযোগ্য যে বাংলাদেশৰ বিৰুদ্ধে এদিনীয়াৰ অভিষেক মেচত ব্যৰ্থ হ'লেও শ্ৰীলংকা আৰু বাংলাদেশৰ বিৰুদ্ধে খেলা বিধ্বংসী ইনিংছ দুটা ধোনীৰ কেৰিয়াৰৰ অন্যতম শ্ৰেষ্ঠ ইনিংছ। শতৰানৰ সেই ইনিংছ দুটাৰে ধোনীয়ে বুজাই দিছিল, তেওঁ কি ধাতুৰে গঢ়া ক্ৰিকেটাৰ। কেৰিয়াৰৰ আৰম্ভণিতে বিস্ফোৰক বেটছমেনৰ ভূমিকা পালন কৰা ধোনীয়ে পৰৱৰ্তী সময়ত দলৰ প্ৰয়োজন অনুসাৰে বেটিং কৰি বহু জয়ৰ নায়ক হৈছিল। ধোনী ভাৰতীয় বেটিঙৰ ভৰসা। ধোনী ক্ৰিজত থকালৈকে বিপক্ষৰ বুকুও কঁপি থাকে। ধোনী ক্ৰিজত থকাৰ সময়ত যদি বলতকৈ ৰান বেছি লগাও হয়, ড্ৰেছিং ৰুমত চিন্তাৰ ৰেশ নাথাকে। কাৰণ ধোনী উইকেটত আছে! এয়াই ধোনীৰ যাদু। ২০১১ চনৰ এদিনীয়া বিশ্বকাপৰ ফাইনেলখনত ৯১ ৰানৰ অপৰাজিত ইনিংছেৰে ভাৰতক চেম্পিয়ন কৰোৱা ধোনীৰ বেটিংশৈলী অইনতকৈ পৃথক। ধোনীৰ বেটিং ব্যাকৰণসন্মত নহয়। কিন্তু ধোনীৰ মাৰমুখী আৰু ভয়ংকৰ সুন্দৰ বেটিঙত প্ৰায়ে বলাৰ দিশহাৰা হৈ পৰে। ধোনীৰ হেলিকপ্টাৰ শ্বট বৰ্তমান আধুনিক ক্ৰিকেটৰ গোপন অস্ত্ৰ। বৰ্তমান যথেষ্ট জনপ্ৰিয় হৈ পৰিছে ধোনীয়ে উদ্ভাৱন কৰা হেলিকপ্টাৰ শ্বট।

উইকেটৰ পিছতো ধোনী সাৱলীল আছিল। আৰম্ভণিতে ধোনীৰ উইকেট কিপিং দুৰ্বল বুলি সমালোচনা নোহোৱাও নহয়। অৱশ্যে পৰৱৰ্তী সময়ত ধোনীয়ে উইকেট কিপিঙত যথেষ্ট উন্নতি ঘটাবলৈ সক্ষম হয়। ক্ষিপ্ৰ ষ্টাম্পিঙৰ বাবে ধোনীৰ নাম আছে। উইকেটৰক্ষক হিচাপে ধোনীয়ে এদিনীয়াত ৩২১টা কেচ ধৰাৰ লগতে ১২৩টা ষ্টাম্পিং কৰিছে। আনহাতে টেষ্টত ২৫৬টা কেচ আৰু ৩৮টা ষ্টাম্পিং কৰা ধোনীয়ে টি-২০ত ৫৭টা কেচ ধৰিছে, ষ্টাম্পিং কৰিছে ৩৪জন বেটছমেন। ধোনী সৰ্বাধিক ষ্টাম্পিং কৰাৰ বিশ্ব অভিলেখৰো অধিকাৰী।

ধোনীৰ নিৰ্দিষ্ট বেটিং ক্ৰম নাই বুলিয়ে ক'ব পাৰি। সাধাৰণতে ছয় নম্বৰত বেটিং কৰিবলৈ অহা ধোনীয়ে প্ৰয়োজন অনুসৰি সাত নম্বৰতো উইকেটলৈ আহিছিল। শ্ৰীলংকাৰ বিৰুদ্ধে এদিনীয়া বিশ্বকাপৰ ফাইনেলখনত যুৱৰাজৰ আগতে বেটিং কৰিবলৈ ক্ৰিজলৈ গৈছিল। মিডলঅৰ্ডাৰ বেটছমেন হিচাপে মাজৰ যিকোনো স্থানত বেটিং কৰা ধোনী এদিনীয়াত ১০ হাজাৰ ৰানৰ মালিক। ৩৫০খন এদিনীয়াত ৫০.৫৩ গড় ৰানেৰে ধোনীয়ে সংগ্ৰহ কৰিছিল ১০,৭৭৩ ৰান। য'ত আছে দহটা শতক আৰু ৭৩টা অৰ্ধশতক। লক্ষ্যণীয় যে ১৫ আগষ্টত আন্তৰ্জাতিক ক্ৰিকেটৰপৰা অৱসৰ ঘোষণা কৰিলেও ২০১৪ চনতে ধোনীয়ে টেষ্টৰপৰা অৱসৰ গ্ৰহণ কৰিছিল। ধোনীয়ে ভাৰতৰ ক্ৰিকেটলৈ আগবঢ়োৱা বৰঙণিৰ তুলনা নাই। পিছে ৰজাৰ দৰে আন্তৰ্জাতিক ক্ৰিকেটত প্ৰৱেশ কৰা ধোনীৰ বিদায় ৰাজকীয় নহ'ল। যদিও ধোনী কিন্তু জিলিকি থাকিব বিশ্ব ক্ৰিকেটত।

ধোনী ক্ৰিকেটাৰেই নহয়, প্ৰেৰণাদায়ক জীৱনৰ প্ৰতিভূ। ধোনী জীৱনৰ শিক্ষক। **নতুন প্ৰজন্মই ধোনীৰপৰা শিকিবলগীয়া যথেষ্টখিনি উপাদান আছে। ধোনীৰ শৃংখলাবদ্ধ জীৱন, কামৰ প্ৰতি একাগ্ৰতা উদীয়মানৰ বাবে শিকিবলগীয়া গুণ।** প্ৰতিকূল পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ হ'লে ধোনীক জনাটো আমাৰ প্ৰয়োজন। ৰে'লৰ টিকেট কালেক্টৰৰপৰা বিশ্বৰ অন্যতম শ্ৰেষ্ঠ ক্ৰিকেটাৰ হোৱাৰ ৰোমাঞ্চকৰ যাত্ৰা সকলোৰে বাবে প্ৰেৰণাৰ অমল উৎস হ'ব পাৰে।

উল্লেখযোগ্য যে ধোনীয়ে ৩৩২খন আন্তৰ্জাতিক খেলত ভাৰতক নেতৃত্ব দিছিল, ইয়াৰে ২০০খন এদিনীয়া, ৬০খন টেষ্ট আৰু ৭২খন টি-২০।

**দিগন্ত চহৰীয়া**
ফোন ঃ ৮৭৫৩৯৮২৪৮৯